**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। জনতাৰ শিল্পী জুবিন গাৰ্গৰ চিতাভস্ম সংগ্ৰহ। ৰাইজে চিতাভস্ম সংগ্ৰহ কৰিব পৰাকৈ ৰাজ্য চৰকাৰৰ প'ৰ্টেল মুকলি।

২। নিউ তিনিচুকীয়া ইণ্টাৰচিটী ৰে'লগাড়ীখনক জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিবলৈ অসম ৰে'ল যাত্ৰী সন্থাৰ আহ্বান।

৩। ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰৰ বঁটা প্ৰদান অনুষ্ঠানত অসমৰ উৎপল দত্তৰ শ্ৰেষ্ঠ সমালোচকৰ বঁটা গ্ৰহণ।

৪। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ আজি হ'বলগীয়া খেলত ভাৰত বাংলাদেশৰ মুখামুখি। **আৰু**

৫। ঝাৰখণ্ডৰ ৰাঁচীত অনুষ্ঠিত পূব মণ্ডল ৰাষ্ট্ৰীয় এথলেটিকছত অসমৰ ২৫টা পদক অৰ্জন।

০০০০০০

অসমবাসীক শোকাহত কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য কালি গুৱাহাটীৰ সমীপৰ কমাৰকুছিৰ 'জুবিনক্ষেত্ৰ'ত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। তেওঁৰ নশ্বৰ দেহত মুখাগ্নি কৰাৰ লগে লগে অগণিত অনুৰাগীয়ে অশ্ৰু-অঞ্জলিৰে প্ৰাণৰ শিল্পীজনক সমস্বৰে **মায়াবিনী** গীত গাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও সমাধিস্থলীত প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, এবছু, আটাছুকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ হৈ ৰাজ্যখনৰ আবাসিক আয়ুক্তই জনতাৰ শিল্পীজনক শেষ শ্ৰদ্ধা জনায়।

ভগ্নী পামী বৰঠাকুৰে চিতাত মুখাগ্নি কৰে। তেওঁক সহযোগ কৰে ৰাহুল গৌতম শৰ্মা আৰু অৰুণ গাৰ্গে। ২১ জাঁই টোপধবনিৰে আৰক্ষীয়েও শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত অগণন লোকৰ জয়ধবনিৰ মাজেৰে অৱশেষত পঞ্চভূতত বিলিন হ'ল গানেৰে জনতাৰ হৃদয়ত ঘৰ সজা শিল্পী জুবিন গাৰ্গ।

ইয়াৰ আগেয়ে কালি পুৱা ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পৰা জুবিনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হৈছিল। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গে শেষকৃত্যৰ পাছত অস্থি সংগ্ৰহ কৰাৰ লগতে সমাধিস্থলীত শিল্পীগৰাকীৰ প্ৰিয় নাহৰ পুলি ৰোপণ কৰে।

পৰিয়ালৰ সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। ৰাইজে চিতাভস্মৰ বাবে আবেদন কৰিব পৰাকৈ এটা প'ৰ্টেল মুকলি কৰা হৈছে। এই সন্দৰ্ভত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয় –

বাইট

মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি শিল্পীগৰাকীৰ সন্মানাৰ্থে কালি অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকে। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহো বন্ধ থাকে যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হয়। শিল্পীগৰাকীৰ সন্মানাৰ্থে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ো বন্ধ ৰখা হয়।

জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যত সৃষ্টি হোৱা অভূতপূৰ্ব পৰিস্থিতিক লৈ দেশ-বিদেশৰ ভালেমান সংবাদ মাধ্যমে বাতৰি প্ৰচাৰ কৰিছে। তদুপৰি বহু যশস্বী সংগীত তাৰকাই তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। বলিউদৰ অভিনেতা আশীষ বিদ্যাৰ্থীয়ে জুবিন গাৰ্গৰ বিয়োগত এইদৰে কয় –

বাইট

মায়াৰ পৃথিৱী এৰি আদৰৰ শিল্পীগৰাকী কায়িকভাৱে আঁতৰি গৈছে যদিও সৃষ্টিৰাজি আৰু মানৱতাৰ সংজ্ঞাৰে তেওঁ অসমত চিৰদিন জীয়াই থাকিব।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ শেষকৃত্যৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ জনজীৱন স্তব্ধ হৈ পৰে। সকলো জিলাতে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে দোকান-পোহাৰসমূহো বন্ধ হৈ থাকে। ডিব্ৰুগড় জিলাত সদৌ অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ আহ্বানত ১৮৩ খন বাগিচা বন্ধ ৰাখি শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তত কালি শিল্পীগৰাকীৰ সন্মানাৰ্থে অনুষ্ঠানৰ আয়োজন কৰা হয়। বকুল উৰণীয়া সেতুত কেইবাগৰাকীও চিত্ৰশিল্পীয়ে কালি ৰং-তুলিকাৰে শিল্পীগৰাকীৰ চিত্ৰ অংকন কৰে। নামৰূপ, নাহকটীয়া, মৰাণ, টিংখং, খোৱাঙকে ধৰি বিভিন্ন অঞ্চলত জনসাধাৰণে বন্তি প্ৰজ্বলন কৰাৰ লগতে শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰি শ্ৰদ্ধা জ্ঞাপন কৰে।

লখিমপুৰত কালি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ সমিতিৰ উদ্যোগত উত্তৰ লখিমপুৰ খেলপথাৰত ৫ হাজাৰ বন্তি প্ৰজলন কৰি জুবিন গাৰ্গৰ নাম লিখি শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰুদ্বাৰতো পূব প্ৰান্তৰ শিখ প্ৰতিনিধি বোৰ্ডৰ সভাপতিৰ উপস্থিতিত গুৰুদ্বাৰত থকা ভক্তিপ্ৰাণ ৰাইজে শিল্পী জুবিন গাৰ্গক বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জিলাখনৰ মেলাঘাটত কালি বহুলোকৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ধুবুৰী আৰু মেঘালয়ৰ মাজত নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী দলংখন জুবিনগাৰ্গ সেতু নামেৰে নামকৰণ কৰাৰ বাবে ৰাইজে চৰকাৰক আহ্বান জনায়। দক্ষিণ শালমাৰা মানকাচৰ জিলা হাটশিঙিমাৰীক কালি প্ৰাণৰ শিল্পীগৰাকীক সুঁৱৰি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰাইজে ধুবুৰী-ফুলবাৰী দলংখনক জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰাৰ দাবী জনায়। এই অনুষ্ঠানত বিভিন্ন বয়সৰ লোকে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা জেছমিনআৰা পাৰবিনে এইদৰে কয়–

ভইচ

ৰাজ্যৰ অন্যান্য জিলাতো কালি শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে সৰ্বধৰ্ম প্ৰাৰ্থনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

অসম ৰে'ল যাত্ৰী সন্থাই নিউ তিনিচুকীয়া ইণ্টাৰচিটী ৰে'লগাড়ীখনক জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। জনতাৰ শিল্পীগৰাকীৰ কালি শেষকৃত্যৰ পাছতে অসম ৰে'লযাত্ৰী সন্থাই সম্প্ৰতি ০৫৯২১/৯২২ নম্বৰৰ নিউ তিনিচুকীয়া ইণ্টাৰচিটী ৰে'লগাড়ীখনক জুবিন এক্সপ্ৰেছ নামকৰণ কৰি পুনৰ চলাচল আৰম্ভ কৰাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে ২০২৩ চনৰ মাৰ্চত তিনিচুকীয়াৰ পৰা ধুবুৰীলৈ এখন ৰে'লগাড়ী চলাচল কৰোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যৱস্থা কৰিছিল যদিও পাছত ইয়াৰ চলাচল বন্ধ কৰি দিয়া হয়। এই জৰুৰী ৰে'লগাড়ীখন পুনৰ চলাচল কৰাবলৈ ৰে'লযাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মাই আহ্বান জনাইছে। তেওঁ কয়, যে বৰপেটাৰোড, ৰঙিয়া, টংলা, ওদালগুৰি আদিৰপৰা নিউ তিনিচুকীয়াৰ পৰা ধুবুৰীলৈ বিকল্প ৰে'লগাড়ী চলাচল নথকা

হেতুকে এই ৰে'লখন অত্যন্ত আৱশ্যক। শিল্পীগৰাকীৰ প্ৰয়াণত উত্তৰ-পূব সীমান্ত ৰে'লৱেই মালিগাঁৱৰ লগতে বিভিন্ন ষ্টেচনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। সেই হেতুকে জুবিন গাৰ্গৰ নামত ৰে'লখনৰ চলাচল কৰি বহুদিনীয়া প্ৰয়োজন পূৰাবলৈ ৰে'লযাত্ৰী সন্থাই আহ্বান জনাইছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীত ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। চলচ্চিত্ৰ নিৰ্মাণ, অভিনয়, কাহিনী কথনকে ধৰি বিভিন্ন শিতানত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে চলচ্চিত্ৰ কেৱল এটা উদ্যোগেই নহয়, ই সমাজত সজাগতা বৃদ্ধি কৰাৰ এটা শক্তিশালী মাধ্যমো। চলচ্চিত্ৰই জনসাধাৰণক অধিক সংবেদনশীল ৰূপে গঢ়ি তোলে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত সকলো ব্যক্তিকে ভাৰতীয় চলচ্চিত্ৰই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধিক সন্মান আৰু পৰিচয় লাভ কৰাটো নিশ্চিত কৰিবলৈ অধিক প্ৰচেষ্টা কৰিবৰ বাবে আহ্বান জনায়। বৰ্তমান সময়ত মহিলা কেন্দ্ৰিক চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছে আৰু এনে ধৰণৰ চলচ্চিত্ৰসমূহে বঁটা লাভ কৰাটো এটা ধনাত্মক সামাজিক দিশ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

কালিৰ অনুষ্ঠানত প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। হিন্দী চলচ্চিত্ৰ **টুৱেল্‌ভথ ফে'ল**লৈ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা প্ৰদান কৰা হয়। জৱান বোলছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। একেদৰে, **মিছেছ চেট্টাৰ্জী ভাৰ্ছেছ নৰৱে** শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ অভিনেত্ৰীৰ পুৰস্কাৰ আগবঢ়োৱা হয়। সুদীপ্ত সেনৰ **দ্যা কেৰালা ষ্টৰী** ছবিখনে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শিল্পা ৰাও আৰু পি ভি এন এছ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, কালিৰ অনুষ্ঠানতে অসমৰ বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল দত্তলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা আগবঢ়োৱা হয়। পৰিচালক শিল্পীকা বৰদলৈয়ে মও - দ্যা স্পিৰিট ড্ৰীমজ অৱ চেৰাও শীৰ্ষক চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা লাভ কৰে।

০০০০০০

ঝাৰখণ্ডৰ ৰাঁচীত অনুষ্ঠিত ৩৬ সংখ্যক পূব মণ্ডল জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাত অসমে সুন্দৰ প্ৰদৰ্শনেৰে এইপৰ্যন্ত ২৫টা পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাখনৰ প্ৰথম দিনা ১৪টা পদক অৰ্জন কৰা অসমে কালি দ্বিতীয় দিনা ৪টা সোণ, ৩টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সমৰ্থ হৈছে। কালি অসমৰ হৈ ১৮ বছৰ অনূৰ্ধৰ ল'ৰাৰ ৫ হাজাৰ মিটাৰ খোজকঢ়াত ফিৰদৌচ আলম, লং জাম্পত জ্যোতিষ্মান বৰুৱা, ১৮ বছৰ অনূৰ্ধৰ ছোৱালীৰ ৩ কিলোমিটাৰ খোজকঢ়াত সুৰ্পণা দাস আৰু ৪x১০০ মিটাৰ ৰীলে দৌৰত অসমে সোণৰ পদক অৰ্জন কৰে। ১৬ বছৰ অনূৰ্ধৰ ছোৱালীৰ ৬০০ মিটাৰ দৌৰত ধৃতিমা উজিৰ, ২০ বছৰ অনূৰ্ধৰ ছোৱালীৰ ১৫০০ মিটাৰ দৌৰত পাহী কেওট আৰু ১৬ বছৰ অনূৰ্ধৰ পেণ্টাথলনত হাদমগৌড়া ব্ৰহ্মাই ৰূপৰ পদক লাভ কৰে। আনহাতে ১৬ বছৰ অনূৰ্ধৰ ল'ৰাৰ লং জাম্পত মৃদুল হুছেইন, ২০ বছৰ অনূৰ্ধৰ ল'ৰাৰ ১১০ মিটাৰ হাৰ্ডলছত বিকাশ নাথ, ৪০০ মিটাৰ দৌৰত মুন্না কুমাৰ ব্ৰহ্ম আৰু ছোৱালীৰ লং জাম্পত মেঘালী বুঢ়াগোহাঁইয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

অসমৰ ধ্ৰুৱ তামুলীয়ে হাৰিয়ানাত অনুষ্ঠিত ৭৪ সংখ্যক সৰ্বভাৰতীয় আৰক্ষী শৰীৰচৰ্চা প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰিছে। হাৰিয়ানা আৰক্ষী একাডেমীত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ কালি ৮০ কিলোগ্ৰাম ওজন শাখাত ধ্ৰুৱ তামুলীয়ে ৰূপৰ পদকটো লাভ কৰে। প্ৰতিযোগিতাখনত অসম আৰক্ষীৰ মুঠ ছগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ আজি হ'বলগীয়া খেলত ভাৰত বাংলাদেশৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব।

ইপিনে, প্ৰতিযোগিতাত যোৱানিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে শ্ৰীলংকাক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৩ ৰান কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ১৮ অভাৰত ৫টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। পাকিস্তানৰ হুছেইন তালাটক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰে পাকিস্তানে ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা জীয়াই তুলিলে। ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত ভাৰতে পাকিস্তানক পৰাস্ত কৰিছে।

০০০০০০

অসমীয়াৰ স্বাভিমান, জাতিৰ মহানায়ক জুবিন গাৰ্গৰ কালি শেষকৃত্য সম্পন্ন কৰাৰ বাতৰি আজি প্ৰকাশিত প্ৰতিখন কাকতে ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। স্কাই গেটচ্ আনাদাৰ ষ্টাৰ শিৰোনামেৰে **দি আছাম ট্ৰিবিউন** কাকতে বাতৰিটো প্ৰকাশ কৰিছে।

বিশ্বৰ দুই শীৰ্ষ সংবাদ গোষ্ঠী দ্য নিউইয়ৰ্ক টাইমছ আৰু বি বি চি য়ে কণ্ঠশিল্পী জুবিন গাৰ্গৰ বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

যোৱা ১৯ ছেপ্তেম্বৰত প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ পাছৰে পৰা ৰাজ্যবাসী শোক-সাগৰত ডুব গৈ আছে। গুৱাহাটী মহানগৰ স্তব্ধ হৈ পৰাৰ লগতে সমগ্ৰ ৰাজ্যতে লকডাউন সদৃশ পৰিবেশৰ সৃষ্টি হৈছে। **অসমীয়া খবৰ** কাকতে এই বাতৰিক গুৰুত্ব দিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ছিংগাপুৰৰ পৰা হাৰ্টথ্ৰব জুবিন গাৰ্গৰ নিথৰ দেহ আনি শ্ৰদ্ধাঞ্জলী জ্ঞাপন- শেষকৃত্য সম্পন্ন কৰালৈকে মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

সমাজবাদী, বামপন্থী, ধৰ্মহীন, জাতিহীন জুবিন গাৰ্গৰ শেষ বিদায়ত ধৰ্ম-বৰ্ণহীন সমাজৰ ছবি প্ৰতিফলিত হোৱাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অসম** কাকতে ৰাজ্য চৰকাৰে প্ৰিয় শিল্পীগৰাকীৰ চিতাভস্ম ৩৪ টা কলহত সংগ্ৰহ কৰাৰ বাতৰি প্ৰকাশ কৰিছে। শোণিতপুৰ জিলাৰ পূজাথলীসমূহত এইবাৰ কেৱল জুবিন গাৰ্গৰ গীতহে বজাবলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। **আমাৰ অসম** কাকতে এই বাতৰিক গুৰুত্ব দিছে।

প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ কাৰণ সন্দৰ্ভত ন ন তথ্য পোহৰলৈ আহিছে। **দৈনিক জনমভূমি** কাকতে উচতনি দি সাগৰৰ পানীত নমোৱা হৈছিল জুবিন গাৰ্গক শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে। মৃত্যুৰ ঘটনাৰ প্ৰকৃত কাৰণৰ দাবীৰে গোচৰ ৰুজু কৰাৰ বাতৰি **দি টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীত ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰাৰ বাতৰি **দি চেণ্টিনেল কাকতে** প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ....।

০০০০০০

উৎসৱৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৪৬ খন বিশেষ ৰে'লগাড়ীৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে। দুৰ্গা পূজা, দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত যাতে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰপ্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উৎসৱ বিশেষ ৰে'লগাড়ীসমূহ কাটিহাৰ, সোণপুৰ, দৌৰাম মাধেপুৰা, মণিহাৰী, আগৰতলা, ধৰ্মনগৰ, নিউ তিনিচুকীয়া, এছ এম ভি টি বেংগালুৰু, অমৃতসৰ, নিউ জলপাইগুৰি,

গুমটিনগৰ, কিষাণগঞ্জ, নাহৰকটীয়া গঞ্জ, পাটনা, ডিব্ৰুগড়, গোড়খপুৰ, শিলচৰ, নাহৰলগুণ, কলকাতা আৰু গুৱাহাটীৰ দৰে গুৰুত্বপূৰ্ণ স্থানসমূহৰ মাজত চলাচল কৰিব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত